Aadarsha Ratne Font Set is developed in dedication to our beloved father Ratneswar Deka; he left us for his heavenly abode on *aahin shukla nabami tithi 550 sankarabda, Vaishnava Incurnation Day*. This project was carried out under project name **Ratne Prakalpa,** which was started in October 1998.

Aadarsha Ratne is World's first 32-bit True Type font-set supporting languages such as Assamese, Baro, Bengali, Kamrupi, Karbi and Manipuri, and Aadarsha Ratne Font supports all type of **"juktkshyar"** or **conjuncts.**

---


১। ভাগৱতৰ ৰাজকীয় বচন
২। ৰইজৰ চিঠিৰ টোপোলা
৩। ৰবিনৰ ব্যক্তিগত বচন


## ১। ভাগৱতৰ ৰাজকীয় বচন

তুমি যদি চোৰ কৰা তেনেহলে তুমি চোৰ। মন কৰিবা অকল অইনৰ বস্তু নোকোৱাকৈ লৈ যোৱাটোকেই চোৰ কৰা নুবুজায়। অইনৰ বস্তু নোকোৱাকৈ ব্যৱহাৰ কৰাটোও চোৰৰেই কাম। তদুপৰি তুমি যদি অশ্লিল বাক্য কোৱা তেনেহলে তুমি বাক্যত চোৰ বা অসভ্য। অৰু যদি তুমি বেয়া কাম্য বা বেয়া বস্তু দেখাৰেই হেপাহত মতি তেয়াহলে তুমি চকুৰ চোৰ বা ডগাবাজ। মুঠতে তুমি চোৰ। হিছাব কৰিবা চোন। চোৰ-ডগাবজ বা সমাজত জিবিলাকক তোমালেকে নিচ বুলি কোৱা তেওবিলাকে চোৰ-ডগাবজ বা নিচ বোৰৰ জন্ম দিয়ে বুলি ভাগৱতত লিখা নাই। তলৰ লেখাত তাৰ পমান। অবষ্যে তলৰ লেখাখিনিএ জাতি জন্মগত যে নহয় এইটোও বুজাইছে।

নৰ্ত্তকীগৰ্ভসম্ভুতো ৱশিষ্ঠাখ্যো মহান্নৃষিঃ।
তপসা বাহ্মণো জাতঃ তস্মাৎ জাতিৰ্ন কাৰনম্॥
চণ্ডালীগৰ্ভসম্ভুতো শক্তিৰ্নাম মহামুনিঃ।
তপসা বাহ্মণো জাতঃ তস্মাৎ জাতিৰ্ন কাৰনম্॥
স্বপাকীগৰ্ভসম্ভুতঃ পৰাশৰো মহামুনিঃ।
তপসা বাহ্মণো জাতঃ তস্মাৎ জাতিৰ্ন কাৰনম্॥
মস্যগন্ধায়াস্তনয়ো বিদ্বান ব্ৰ্যাসো মহামুনিঃ।
তপসা বাহ্মণো জাতঃ তস্মাৎ জাতিৰ্ন কাৰনম্॥

কিন্তু সাবধানতাৰ যতনৰ অভাবত চোৰে চোৰৰহে শৃষ্টি কৰে, এইবাবেই তেনেকুৱা লোক বিলাকক সজাগ কৰাৰ হেপাহেৰে ভাগৱতত কৈছেঃ—

বিষ্ঠা মূত্ৰ ভূঞ্জে যেন অধম শুকৰে।
উটে যেন কন্টকক চোবাই আতি মৰে॥

মানে তুমি যদি সজাগ নোহোৱা তেতিয়াহলে তোমাত গা কৰি উঠা চৰিত্ৰই তোমাকেই খুলি খুলি খাব আৰু তুমি অইনৰো অপকাৰ অনিবা। যেনেকৈ বেয়া গাহৰি বিলাকে বিষ্ঠা মূত্ৰত নিযে নিকাৰ ভূঞ্জি অইনৰো হাৰাসাস্তি কৰে বা যেনেকৈ ভাল বস্তু দিলেও উটে কইট দেখিলেই চোবোৱা আৰম্ভ কৰে মন কৰিবাচোন কেনেকৈ তোমাৰ বেয়া চৰিত্ৰই তোমাক বেয়া পথত আগ বঢ়াব পাৰে। তুমিও অইনক বেয়া পথত নিবা। ইয়াকেই গাহৰি আৰু উটৰ কথাৰে ভাগৱতত বুজাইছে। — এতিয়াও মনত পৰে আমাৰ পিতা স্বৰ্গীয় ৰতেন্নশ্বৰ ডেকাই আমি সৰু থাকোতেই এই বিষয়ে আমাক বুজইছিল।

## ২। ৰইজৰ চিঠিৰ টোপোলা

---

From: cottoncc <cottoncc@gw1.vsnl.net.in>
To: r.deka@computer.org
Subject: assamese font
Date: Thu, 30 Sep 1999 18:57:22 +0530

শীযুত ৰবীন ডেকা,

নমস্কাৰ ল'ব । মোৰ নাম অভিজিৎ বৰঠাকুৰ , কটন কলেজৰ পদাৰ্থ বিভাগৰ প্ৰবক্তা । পাগজ্যোতিষ কলেজৰ প্ৰবক্তা সঞ্জয় দত্তই আপোনাৰ আদৰ্শ ৰত্নে নিউ ফন্ট মোলৈ পঠিয়াই দিছিল । আমি কটন কলেজত ইয়াৰ ব্যৱহাৰ কৰিম বুলি ভাবিছোঁ । আপোনাৰ অনুমতি পালে নথৈ আনন্দিত হ'ম ।

আমি ইয়াক কেৱল সাধাৰন কামতহে ব্যৱহাৰ কৰিম । কোনো ধৰনৰ ব্যৱসায়িক কামত ইয়াৰ ব্যৱহাৰ নকৰোঁ । আপোনাৰ অনুমতি আমাৰ কাম্য । আশাকৰোঁ অপোনাৰ এনে ক্ষেত্ৰত কোনো আপত্তি নাথাকে । অনুগহ কৰি অনুমতি দিব বুলি আশা কৰিলোঁ ।

আপোনাৰ লগত কটন কলেজৰ বিষয়ে পিছত আলোচনা কৰিম । আজিলৈ সামৰিছোঁ ।

শদ্ধাৰে

ইতি

অভিজিৎ বৰঠাকুৰ

কটন কলেজ ।

*পৃয় বৰঠাকুৰ,*

*পত্ৰে আন্তৰিকতা জানিব ! অসমীয়া ফন্ট শংক্ৰান্তত অপোনাৰ লেখাৰ বাবে ধন্যবাদ জনাইছো। অপুনি কটন কলেজত ৰত্নে নিউ ফন্ট ব্যৱহাৰ কৰিম বুলি ভবা কথাটো জানি মনত ৰং পাইচো আৰু মোৰ অনুমতি আছে।*

*পুনৰ আন্তৰিকতাৰে ...*

*ৰবিন ডেকা*

*চিকাগো, ইলিনয়ছ*

---

ৰবিনদা,

আদৰ্শ ৰত্নে আখৰখিনি পাই খুবেই উপকৃত হৈছো। Keyboard layout টো মোৰ বাবে সুচল হৈছে আৰু মই ভাবোঁ যে সাধাৰণতে ইংৰাজী টাইপিং কৰাত অভ্যস্ত সকলোৰে বাবেই এইটো user friendly হৈছে। আজি কলেজত মই আপোনাৰ

তথা আদৰ্শ ৰত্নে ফন্টচেত টোৰ কথা উলিয়াওতে আমাৰ সহকৰ্মী নীৰেন ঠাকুৰীয়াই আপোনাক ভালদৰে জানে বুলি ক'লে। কটন কলেজ হ'ষ্টেলত আপোনাক পাইছিল হেনো। সঞ্জয়

Guwahati (Assam): Date: Fri, 3 Sep 1999 17:20:50 +0530

মৰমৰ সঞ্জয়,

পত্ৰে আন্তৰিকতা জানিবা ! অসমীয়া ফন্ট শংক্ৰান্তত তোমাৰ ই–মেইল লেখা পঢ়ি মনত ৰং পাইছো। নীৰেনদা মোৰ বৰ ভাল বন্ধু আৰু আমি একেলগে চাহ-ভাত খাবলৈ যোৱা বিধৰ অছিলো। তুমি যদি User Guide খন তলৰ URL ৰ পৰা ভালকৈ পঢ়ি লোৱা তেতিয়া হলে তুমি যুক্তক্ষৰ বোৰ ভাককৈ টাইপ কৰিব পাৰিবা। নীৰেনদাকো মোৰ URL টো দেখুৱাবা বুলি আশা কৰিলো। আনহাতে তুমি URL টোৰ নতুন Users' Guide খন পঢ়িব লাগিলে তোমাক মোৰ পুৰণি আদৰ্শ ৰত্নে ফন্ট চেটটোহে লাগিব। গতিকে তোমাক মই এই চিঠিখনৰ পিচত Attach কৰি পঠিয়াম বাৰু। নীৰেনদাই আগেয়ে লেখা মেলা কৰিছিল। পাৰিলে তুমি নীৰেনদাৰ লেখ কিছুমান ই-মেইল যোগে পঠিয়াবাছোন বাৰু মই URL টোত ভৰাম বুলি কবা।

পুনৰ আন্তৰিকতাৰে ...

ৰবিন ডেকা

চিকাগো, ইলিনয়ছ

---

ডেকা ডাঙৰীয়া,

বৰ ভাল বসতু এটা দিলে । নথৈ ধন্যবাদ জনালো। আশাকৰো পাছলৈ যুকটাক্ষৰো লিখিব পৰা যাব।

ইতি,

ময়ূৰ কাকতি

Guwahati (Assam): Date: Wed, 1 Sep 1999 10:30:03 +0530

পৃয় কাকতি,

পত্ৰে আন্তৰিকতা জানিব ! অসমীয়া ফন্ট শংক্ৰান্তত অপোনালোকৰ ই–মেইল লেখা পঢ়ি মনত ৰং পাইছো অৰু ধন্যবাদ জনাইছো।

তলৰ URL টোত কিছুমান FAQ আৰু আপগেড কৰা User Guide পাব। এই সপ্তাহৰ শনিবৰে মই FAQ আৰু User Gguide পুনৰ আপগেড কৰিম।

জনাও যে আদৰ্শ ৰত্নে ফন্ট তিনিটি বিশেষ শাখাত পাব। আপুনি ইতিমধ্যে পোৱা ফন্ট শাখাটি আদৰ্শ ৰত্নে নতুন। বাকী দুটি শাখা হ'ল: আদৰ্শ ৰত্নে ইন্টাৰনেত আৰু আদৰ্শ ৰত্নে ঠেক। তিনিওটি ফন্টৰ বাবেই কি–বোৰ্ড একেই। গতিকে বাকী

দুটি ফন্ট–শাখা বিছাৰিলে ই–মেইল যোগে জনাবলৈ নাপাহৰিব। লগতে অসমত অইন কোনোবাক জানিলে ফন্টৰ খবৰটো দিবলৈ নাপাহৰিব।

পুনৰ আন্তৰিকতাৰে …

ৰবিন ডেকা

চিকাগো, ইলিনয়ছ

---

আদৰণিয় ডেকা,

এয়া জাৰ খাতনিৰ জহত লিখিবলৈ পাইছো তেখেতলৈ এমোনা ৰংৰে ধন্যবাদ ।কেইদিন মানৰ পিছত ভালদৰে অভ্যাস হ'লে বহলাই লিখিম ।

চেনেহ থ'লো ।

মুকুল হাজৰিকা

London (U.K): Date: Tue, 31 Aug 1999 00:43:52 +0100

পৃয় হাজৰিকা ডঙৰীয়া,

পত্রে আন্তৰিকতা জানিব ! অসমীয়া ফন্ট শংক্রান্তত অপোনালোকৰ ই–মেইল লেখা পঢ়ি মনত ৰং পাইছো অৰু ধন্যবাদ জনাইছো।

তলৰ URL টোত কিছুমান FAQ আৰু আপগেড কৰা USER GUIDE পাব।

জনাও যে আদৰ্শ ৰত্নে ফন্ট তিনিটি বিশেষ শাখাত পাব। আপোনালোকৰ কিচুমানে ইতিমধ্যে পোৱা ফন্ট শাখাটি পথম। এই ফন্ট শাখাটিৰ আপগেড আপুনি বিনামূল্যিাকৈ পাব। তিনিওটি ফন্টৰ বাবেই কি–বোৰ্ড একেই। গতিকে বাকী দুটি ফন্ট–শাখা বিছাৰিলে ই–মেইল যোগে জনাবলৈ নাপাহৰিব।

পুনৰ আন্তৰিকতাৰে …

ৰবিন ডেকা
চিকাগো, ইলিনয়ছ

---

Dear Deka:

Below please find corrections of some Assamese words appeared in your homepage.

Bipul

বিপুলজ্যোতি শইকীয়া
কিয়ুছু বিশ্ববিদ্যালয়, ফুকুঅকা,
জাপান

Kyushu (Japan): Date: Fri, 27 Aug 1999 13:13:55 +0900

| | |
|---|---|
| হৈছে | হ'ব লাগে |
| চিঠিৰ তোপোলা | চিঠিৰ টোপোলা |
| লেখাৰ বাবে | লেখিবৰ বাবে / লেখিবলৈ |
| শিক্ষানুস্থান | শিক্ষানুষ্ঠান |
| চপা | ছপা |
| অনুস্থান | অনুষ্ঠান |
| ভাৰস্ব্যন | সংস্কৰণ? |
| কল্যাণ কামত ব্যৱহাৰ হব | কল্যাণৰ কামত ব্যৱহাৰ হ'ব /কল্যাণৰ কামত ব্যৱহাৰ কৰা হ'ব |
| শোওৰণত | সৌঁৰৰণত |
| ৰবিন | ৰবীন (এই নামটো আহিছে ৰবি+ইন্দ-ৰ পৰা) |

পৃয় বিপুল,

পত্রে আন্তৰিকতা জানিব অৰু ধন্যবাদ জনাইছো। বননৰ ভুল শুধৰোৱাৰ বাবে শলাগ লৈছো। মোৰ নামটো ৰবি + নৱ পৰাহে অহা মানে কামৰূপি মতে নতুন সূৰুজ অর্থ।

তলৰ URL টোত কিছুমান FAQ আৰু আপগেড কৰা USER GUIDE পাব।

পুনৰ আন্তৰিকতাৰে ...

ৰবিন ডেকা

চিকাগো, ইলিনয়্ছ

---

Hi Everyone:

If you use MS Outlook (that's all I know now), and have 'Adarsha Ratnemala' font installed in your PC, you can read this Assamese letter. I sincerely appreciate Rabin Deka for providing this Assamese font for us with the help of which, we can even write emails now. :)

Thanks for reading,

Alpana B. Sarangapani

মাননীয়/মাননীয়া অসমীয়া ৰাইজ:

আপোনালোকলৈ অসমীয়াতে চিঠি এখন লিখাৰ হাবিয়াস এটা সেই তাহানিৰ দিনৰ পৰাই আছিল । আমাৰ ৰবীন (ডেকা) বোপাৰ জহত সেই আশা আজিপূৰণ হ'ল । পূৰাকৈ পশিক্ষণ লব পৰা নাই এতিয়াও, হব আৰু লাহে লাহে । আজিলৈ থও আৰু, পিচলৈ হাত খৰ হলে দীঘলকৈ লিখিম, নে কি কয়? আপোনালোক সৱলৈকে চেনেহ আৰু শদ্ধাৰে,

--আলপনা বেজবৰুৰা সাৰঙ্গপানি

হিউচটন, টেক্সাচ। আমেৰীকা যুক্টৰাষ্ট

(হিউচটন, টেক্সাচৰ ৰাজেন বৰুৱা ডাঙৰিয়াই বানন শুদ্ধ কৰাৰ পিচত পুনৰ ই-মেইল কৰা চিঠি; অৰু অসমীয়া ৰাইজলৈ লিখা এইখন পথম অসমীয়া ই-মেইল চিঠি)

U.S.A (২৪/৮/৯৯)

---

পৃয় আল্পনা বাইদেউ,

পত্রে আন্তৰিকতা জানিব !

মই বুজি পালো আপুনি MS Outlook ব্যৱহাৰ কৰিছে। এইসপ্তাহত মই আপোনালৈ নতুন ফন্ট পঠিয়াম।

অসমীয়া ফন্ট শংক্রান্তত অপোনালোকৰ ই–মেইল লেখা পঢ়ি মনত ৰং পাইছো অৰু ধন্যবাদ জনাইছো। মন কৰিছো আপুনি টেক্সট ফাইল পঠিয়াইছিল আৰু মোৰ ইয়াত কোনো অসুবিধা নোহোৱাকৈ ই-মেইলটো পোনে পোনে ওলাইছিল। অকৌ লিখিব। আপোনাৰ লৰাই সহাই কন কৰা বুলি জানিব পাৰি মনত ৰঙ পাইছো আৰু তালৈ লগতে ঘৰৰ আতাইবোৰলৈ আন্তৰিকতা আছে। যুক্তাক্ষৰ লিখাৰ সহজ নিয়ম মই সোনকালেই সকলোকে জনাম বাৰু। অকৌ অসমীয়াতে লিখিব বুলি আশা থাকিল।

পুনৰ আন্তৰিকতাৰে ...

ৰবিন ডেকা

(২৪/৮/৯৯)

---

মৰমৰ ডেকা

মৰম লব ! আপোনাৰ ফনতেৰে লিখিবলৈছো। মোৰ ছিঠি খন ইতিমধ্যে ছাগৈ পাইছে। সেইখন মই আইলিপ ফন্টত লেখা মই অৱশ্যে আপোনাৰ ফনতো বেছি ভাল পাইছো। আইলিপত অকল সিহতৰ ফৰমেতত লিখিব লাগে আখৰ বোৰো বেলেগ যুক্তাখৰবোৰ লিখিবলৈ লাহে লাহে চেস্তা কৰি আছো। এইবাৰ অসমৰ পৰা এখন অভিধাণ আনিম। তাৰে পৰা বানান বোৰ শুদ্ধকৈ লিখিবলৈ ছাম। আপোনাৰ ফন্টত মই অসমীয়া ডাড়িতো। কিয় বিছাৰি পোৱা নাই কব নোৱাৰো (!) জনাবচোন কেনেকৈ লিখে।

বিশেষ নাই

ইতি

নিখিল বৰুৱা

U.S.A (৩/৮/১৯৯৯ ৰ ই-মেইল)

পৃয় বৰুৱা ডাঙৰিয়া,

পত্ৰে আন্তৰিকতা জানিব ! অসমীয়া ফন্ট শংক্ৰান্তত অপোনাৰ ই–মেইল লেখা পঢ়ি মনত ৰং পাইছো অৰু ধন্যবাদ জনাইছো।

"।" দাল এন্টাৰ কি টোৰ ওপৰৰ কি টোৰ পাইপ দাল। বাক্যটোৰ শেষৰ শব্দটোত "।" দিওতে আপুনি শব্দটোত আৰু "।"ৰ মাজত স্পেচ বাৰ ব্যবহাৰ নকৰিব। আপুনি ৰত্নে ডেক ফাইলটোৰ ৩ ৪ অৰু ৫ পেজকেইটি চপা কৰি লব, ইয়াত কি-বোৰ্ড নিয়ম বিলাক চমুকৈ বুজোৱা হৈছে। ডিক্সনাৰি এখন মকো লাগে, মোৰও বাননৰ ভুল হয়।

জনাও যে আদৰ্শ ৰত্নে ফন্ত তিনিটি বিশেষ শাখাত পাব। আপুনি ইতিমধ্যে পোৱা ফন্ত শাখাটি পথম। মই এতিয়া এই লেখি থকা ফন্ত শাখাটি ২য় আৰু ৩য় শাখাটিত মই বৰ্ত্তমান কাম কৰি আছো। দুদিন মানৰ ভিতৰতে ৩য় শাখাটিও ওলাব আৰু তিনিওটি ফন্টৰ বাবেই কি–বোৰ্ড একেই। গতিকে বাকী দুটি ফন্ত–শাখা বিছাৰিলে ই–মেইল যোগে জনাবলৈ নাপাহৰিব।

পুনৰ আন্তৰিকতাৰে ...

ৰবিন ডেকা

---

ৰবিন,

মই আউতলুকত মেইল পঠাই চালো - দেখিছো যে কাম কৰিছে । আচলতে ফন্‌টো থাকিলে হল, নেট্‌স্‌কেপটো কাম কৰে । কিন্তু লিখোতে অলপ অসুবিধা। যুক্তাক্ষৰবোৰ ভাল দৰে লিখিব নোৱাৰি ।

কাম চলি যায় ।

প্ৰকাশ

U.S.A (৪/৮/১৯৯৯ ৰ ই-মেইল)

প্ৰকাশ,

তুমি যদি মাইক্ৰছফ্‌ট আউটলুক ব্যৱহাৰ কৰা বা ইন্টাৰ্নেট মেইল ব্যৱহাৰ কৰা বা উওৰ্ড বেচ্‌ এদিটৰ ব্যৱহাৰ কৰা তেতিয়াহলে লোকেল মেপিঙ টেক্‌নিক ব্যৱহাৰ কৰি যুক্তাক্ষৰ টাইপ কৰিব পাৰিবা। নেটস্কেপত বৰ্ত্তমান এই সুবিধা নাই।

আন্তৰিকতাৰে ...

ৰবিন

---

পৃয় অসমীয়া ফন্ট ব্যৱহাৰক আৰু ৰাইজ,

পত্রে আন্তৰিকতা জানিব ! অসমীয়া ফন্ট শংক্রান্তত অপোনালোকৰ ই–মেইল লেখা পঢ়ি মনত ৰং পাইছো অৰু ধন্যবাদ জনাইছো।

জনাও যে আদর্শ ৰত্নে ফন্ট তিনিটি বিশেষ শাখাত পাব। আপোনালোকৰ কিচুমানে ইতিমধ্যে পোৱা ফন্ট শাখাটি পথম। মই এতিয়া এই লেখি থকা ফন্ট শাখাটি ২য় আৰু ৩য় শাখাটিত মই বর্ত্তমান কাম কৰি আছো। কেইদিন মানৰ ভিতৰতে ৩য় শাখাটিও পস্তুত হব আৰু তিনিওটি ফন্টৰ বাবেই কি–বোর্ড একেই। গতিকে বাকী দুটি ফন্ট–শাখা বিছাৰিলে ই–মেইল যোগে জনাবলৈ নাপাহৰিব।

পুনৰ আন্তৰিকতাৰে …

ৰবিন ডেকা

(মুকলি চিঠি)

---

৩। ৰবিনৰ ব্যক্তিগত বচন

আধ্যাত্মবাদত আমাৰ শঙ্কৰ গুৰু আৰু মাধৱ গুৰু অনন্য।
তেৰা সৱৰ বৰগীতত এই আভাৰ জিলিঙনি ॥
সেই আভা হীন লোকে বৰগীতত ল্পপান্ত আনিলে
*"মৰা চৰাইৰ পাখি গুজা কাউৰীৰ"* কাহিনী মনত পৰে।
॥ গুৰুদুজনা তোহাক অধমৰ নমস্কাৰ ॥